অধ্যায় ১২ ঃ শীলভদ্র ঃ 'সংগ্রাম'

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ শীলভদ্র ঃ জীৱন আৰু কৃতি
    ১২.৩.১ শীলভদ্ৰৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ
১২.৪ 'সংগ্রাম'
    ১২.৪.১ গল্পটোৰ সাধাৰণ আলোচনা
    ১২.৪.২ গল্পটোৰ কাহিনীভাগ
    ১২.৪.৩ গল্পটোৰ চৰিত্রসমূহ
    ১২.৪.৪ গল্পটোৰ বিশেষত্ব
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গল্পকাৰ শীলভদ্ৰৰ জীৱনৰ এক সম্যক পৰিচয় লাভ কৰিব পাৰিব
- শীলভদ্ৰৰ সাহিত্যকৃতিসমূহৰ লগত পৰিচিত হ'ব পাৰিব
- শীলভদ্ৰৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব পাৰিব
- শীলভদ্ৰৰ সংগ্রাম গল্পটোৰ কাহিনী আৰু চৰিত্রসমূহৰ বিষয়ে এক বিচাৰ-বিশ্লেষণ আগবঢ়াব পাৰিব
- শীলভদ্ৰৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ গল্পটোত কেনেদৰে প্রকাশিত হৈছে সেই কথা বিশ্লেষণ কৰিব পাৰিব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ 'অসমীয়া চুটিগল্প' শীর্ষক প্রথম বুনিয়াদী পাঠ্যবিষয়ৰ অন্তর্গত এইটো হ'ল দ্বাদশ অধ্যায়। এই অধ্যায়টিৰ জৰিয়তে আপুনি অসমীয়া সাহিত্য জগতত গল্পকাৰ হিচাপে কিছু পলমকৈ ভুমুকি মৰা গল্পকাৰ শীলভদ্ৰৰ এটা অন্যতম চুটিগল্প 'সংগ্রাম'ৰ বিষয়ে এক আলোচনা পঢ়িবলৈ পাব। আলোচনাটিৰ যোগেদি আপুনি প্রবীণ গল্পকাৰ শীলভদ্ৰৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব পাৰিব। সর্বসাধাৰণ মানুহৰ

মনৰ ভিতৰত সোমাই থকা ঈর্ষা, হিংসা, প্রেম, স্বার্থপৰতা, অহঙ্কাৰ, উচ্চাকাংক্ষা আদি বিভিন্ন ভাব-অনুভূতি গল্পটোৰ জৰিয়তে শীলভদ্রই সুন্দৰকৈ দাঙি ধৰিছে। মানৰ জীৱনৰ লগত সম্পর্কিত এই বিভিন্ন সৰু-সুৰা সমস্যাসমূহ গল্পটোত গল্পকাৰ শীলভদ্রই বৰ মনোগ্রাহী ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হৈছে।

১২.৩ শীলভদ্র ঃ জীৱন আৰু কৃতি

উত্তৰ ৰামধেনু যুগৰ এজন অন্যতম প্রবীণ তথা সফল গল্পকাৰ হ'ল শীলভদ্র। জন্মৰ সময়েৰে চাবলৈ গ'লে গল্পকাৰ শীলভদ্র ৰামধেনু যুগৰ হ'লেও গল্পকাৰ হিচাপে অসমীয়া সাহিত্য জগতত শীলভদ্রৰ আবির্ভাৰ হয় যথেষ্ট পলমকৈ। অর্থাৎ 1964 চনত প্রায় দুকুৰি বছৰ বয়সত *অসম বাতৰি* নামৰ কাকতখনৰ সম্পাদক চন্দ্রপ্রসাদ শইকীয়াৰ অনুৰোধত 'অভিযোগ' গল্পৰ যোগেদি চুটিগল্পৰ জগতত প্রৱেশ কৰে। সেই তেতিয়াৰ পৰা এতিয়ালৈকে ক'তো থমকি নো�ৰাৰাকৈ নিৰবচ্ছিন্নভাৱে বিভিন্ন সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিবলৈ সক্ষম হৈছে। গতিকে বয়সৰ জোখেৰে নহয়, *ৰামধেনুৰ* পৰৱর্তী সময়ছোৱাত কিছু পলমকৈ গল্প ৰচনাত হাত দিয়া বাবে প্রবীণ গল্পকাৰ শীলভদ্রক হৃদয়ানন্দ গগৈয়ে তেওঁৰ *উত্তৰ-ৰামধেনু যুগৰ নির্বাচিত গল্প*সঙ্কলনত স্থান দিছে। সেই হিচাপে গল্পকাৰ শীলভদ্রক উত্তৰ-ৰামধেনু যুগৰ গল্পকাৰৰ শাৰীত পেলাব পাৰি। শীলভদ্র উত্তৰ-ৰামধেনু যুগৰ এজন প্রবীণ গল্পকাৰেই নহয়, তেওঁ সেই যুগৰ এগৰাকী প্রতিষ্ঠিত গল্পকাৰ।

অসমীয়া গল্প সাহিত্যৰ অন্যতম শ্রেষ্ঠ গল্পকাৰ শীলভদ্রৰ 1924 চনত অবিভক্ত গোৱালপাৰা জিলাৰ অন্তর্গত মধুপুৰ নামৰ এখন সৰু ঠাইত জন্ম হয়। ঘৰখনৰ ডাঙৰ সন্তান হোৱা বাবে শীলভদ্র আছিল ঘৰৰ সকলোৰে মৰমৰ সন্তান। সেয়ে সৰুকালত শিক্ষা গ্রহণৰ বাবে শীলভদ্রক পাঠশালালৈ নপঠিয়াই ঘৰুৱা শিক্ষকৰ তত্ত্বাৱধানত শিক্ষা গ্রহণৰ সুবিধা কৰি দিছিল। শীলভদ্রই নিয়মীয়া স্কুলীয়া শিক্ষাগ্রহণ কৰে মধুপুৰ হাইস্কুলত। অতি পৰিতাপৰ কথা যে মেট্রিক পৰীক্ষালৈ মাত্র ছদিন থাকোতে শীলভদ্রৰ দেউতাকৰ মৃত্যু হয়। তথাপি সেই বিপর্যয়ৰ মাজতো শীলভদ্রই গৌৰীপুৰৰ পি. চি. ইনষ্টিটিউশ্যনৰ পৰা ষ্টাৰ লৈ মেট্রিক পৰীক্ষা পাছ কৰে।তাৰ পিছত কটন কলেজলৈ আই.এ.চি. পঢ়িবলৈ আহে আৰু কটন কলেজৰ পৰাই ব'টানিত লেটাৰ লৈ শীলভদ্রই আই.এ.চি. পৰীক্ষাত উত্তীর্ণ হয়। তাৰ পিছত শীলভদ্রই ৰংপুৰৰ কাৰমাইকেল কলেজত (বর্তমান বাংলাদেশত) বি.এছ.চি.ত নামভর্তি কৰে আৰু 1944 চনত সেই কলেজৰ পৰাই সুখ্যাতিৰে বি.এছ.চি. পৰীক্ষা পাছ কৰে। উচ্চ শিক্ষা গ্রহণৰ বাবে শীলভদ্র কলিকতালৈ যাত্রা কৰে আৰু 1946 চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বিশুদ্ধ গণিত বিষয়ত প্রথম শ্রেণীৰ দ্বিতীয় স্থান লাভ কৰি স্নাতকোত্তৰ ডিগ্রী লাভ কৰে।

শীলভদ্রৰ আচল নাম হ'ল ৰেৱতীমোহন দত্তচৌধুৰী। এম.এছ.চি. পাছ কৰাৰ পাছত 1947 চনৰ পৰা 1949 চনলৈ শীলভদ্র ওৰফে ৰেৱতীমোহন দত্ত চৌধুৰীয়ে কটন মহাবিদ্যালয়ত অধ্যাপনা কৰে। কিন্তু দেউতাকৰ মৃত্যুৰ পাছত দৰমহাৰ টকাৰে পাৰিবাৰিক সমস্যা চম্ভালিবলৈ

টান হোৱাত কটন কলেজৰ চাকৰি বাদ দি 1949 চনৰ পৰা 1954 চনলৈ ঠিকাৰ কামত মনোনিৱেশ কৰে। এইকেইবছৰ ঠিকাদাৰী কাম কৰি আমনি লাগি সেই কামো বাদ দিয়ে আৰু এবছৰমান *দ্য আসাম ট্ৰিবিউন* কাকতত ছাব-এডিটৰ হিচাপে সাংবাদিকতাৰ কামত মন দিয়ে। আকৌ অলপ দিনৰ পাছত সেই কামো বাদ দি 1955 চনৰ পৰা 1957 চনলৈ এই দুবছৰ উজনি অসমৰ চাহবাগিচা এখনৰ সহকাৰী পৰিচালক হিচাপে চাকৰি কৰে। ইতিমধ্যে তেওঁ ইয়াৰ মাজতে বিয়া-বাৰু কৰায়। গতিকে বাগিচাৰ চাকৰিটো এৰি দি শীলভদ্রই ভিন্ন সংস্থাপনৰ আশাৰে গুৱাহাটীলৈ আহে আৰু 1957 চনত তেওঁ জালুকবাৰীৰ অসম অভিযান্ত্রিক মহাবিদ্যালয়ত প্রবক্তা হিচাপে যোগদান কৰি 1982 চনত অৱসৰ গ্রহণ কৰে। এই সময়খিনিৰ ভিতৰতে অর্থাৎ 1965 চনৰ পৰা 1985 চনলৈ গল্পকাৰ শীলভদ্রই গুৱাহাটী বিশ্ববিদ্যালয়ত অংশকালীন শিক্ষক হিচাপে যোগদান কৰে আৰু বিশ্ববিদ্যালয়ৰ অঙ্কৰ ছাত্রক অঙ্ক শিকোৱাৰ উপৰিও পদার্থবিদ্যা, ৰসায়নবিদ্যা আদি বিভাগতো অঙ্ক শিকাবলগীয়া হয়।গতিকে শীলভদ্রৰ কর্মসূত্রে বিভিন্ন ঠাইত ভ্রমণৰ এই বিচিত্র অভিজ্ঞতাই তেওঁ সাহিত্যিক জীৱনৰ ভেঁটি টনকিয়াল কৰি তোলাত যথেষ্ট পৰিমাণে অৰিহণা আগবঢ়ায়।

1964 চনত দুকুৰি বছৰ বয়সত 'অভিযোগ' গল্পটোৰ জৰিয়তে সাহিত্যিক জীৱনৰ পাতনি মেলা শীলভদ্রৰ সাহিত্যৰ ক্ষেত্রখন বৰ বিচিত্র আৰু বর্ণাঢ্য। তেওঁৰ প্রথমখন গল্প সঙ্কলন হ'ল 'বাস্তৱ' যিখন 1975 চনত প্রকাশ পায়। শীলভদ্রই 26খন গল্প সঙ্কলন, 7খন উপন্যাস, 3খন আত্মজীৱনী, 2খন অনুবাদ গ্রন্থ অসমীয়া সাহিত্য জগতলৈ আগবঢ়াইছে। তেওঁৰ সাহিত্যকৃতিসমূহ এনে ধৰণৰ—

- **উপন্যাস ঃ** 1] *মধুপুৰ আৰু তৰঙ্গিনী*, 2] *আগমনীৰ ঘাট*, 3] *আঁহতগুৰি*, 4] *অবিচ্ছিন্ন*, 5] *প্রাচীৰ*, 6] *গধূলি*, 7] *অনুসন্ধান*।
- **গল্পপুথি ঃ** 1] *বাস্তৱ*, 2] *কোনো ক্ষোভ নাই*, 3] *সমুদ্রতীৰ*, 4] *তৰুৱা কদম*, 5] *বীৰ সৈনিক*, 6] *শীলভদ্রৰ কুৰিটা গল্প*, 7] *মেজাজ*, 8] *ৰতুবাবুৰ গেৰেজ*, 9] *প্রতীক্ষা*, 10] *উত্তৰণ*, 11] *বিশ্বাস আৰু অন্যান্য গল্প*, 12] *দায়িত্ব আৰু অন্যান্য গল্প*, 13] *জীৱন আৰু অন্যান্য গল্প*, 14] *আকৌ মধুপুৰ*, 15] *দূৰগত আৰু অন্যান্য গল্প*, 16] *মধুপুৰ বহুদূৰ*, 17] *তর্পণ*, 18] *চিঠি আৰু অন্যান্য গল্প*, 19] *নির্বাচিত গল্প*, 20] *লগৰীয়া*, 21] *অন্য এক মধুপুৰ*, 22] *মধুপুৰৰ মধুকৰ*, 23] *উত্তৰ আৰু নাই*, 24] *আপোন মানুহ*, 25] *জীৱনৰ ৰং*, 26] *সায়াহ্ন*।
- **আত্মজীৱনী ঃ** 1] *স্মৃতিচাৰণ*, 2] *মধুপুৰৰ স্মৃতি*, 3] *অতীতৰ খণ্ডিত চিত্র*।
- **অনুবাদ ঃ** 1] *বিপ্ ভেন উইঙ্কল আৰু কেইটামান গল্প*, 2] *মেটামৰফ'ৰিছ*।

শীলভদ্রৰ কেইবাখনো গল্প আৰু উপন্যাস পৃথিৱীৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে। অর্থাৎ তেওঁৰ বিভিন্ন গল্প, উপন্যাস ইংৰাজী, হিন্দী, বাংলা, উড়িয়া, পাঞ্জাৰী, তেলুগু, কন্নড় আদি পৃথিৱীৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে। শীলভদ্রই তেওঁৰ সাহিত্য কৃতিৰ চিন স্বৰূপে বিভিন্ন বঁটা-বাহনো লাভ কৰিছে। তেওঁ 'ভাৰতীয় ভাষা পৰিষদ বঁটা', 'অসম প্রকাশন পৰিষদ

বঁটা', 'সাহিত্য অকাডেমী বঁটা' আৰু 'অসম উপত্যকা সাহিত্য বঁটা' আদি বিভিন্ন বঁটা সাহিত্য সৃষ্টিৰ জৰিয়তে লাভ কৰি অসমীয়া সাহিত্য জগতত নিজৰ কৃতিত্বৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ অসমীয়া সাহিত্যৰ বিশিষ্ট গল্পকাৰ শীলভদ্ৰৰ জীৱন আৰু সাহিত্যকৃতিৰ এক চমু আভাস দাঙি ধৰক।

[150 টা শব্দৰ ভিতৰত)

১২.৩.১ শীলভদ্ৰৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ

উত্তৰ-ৰামধেনু যুগৰ অসমীয়া গল্পলিখকসকলৰ ভিতৰত এজন ব্যতিক্রমী গল্পকাৰ হ'ল শীলভদ্ৰ ওৰফে ৰেৱতীমোহন দত্তচৌধুৰী। অসমীয়া গল্পকাৰসকলৰ ভিতৰত শীলভদ্ৰ এজন অগতানুগতিক গল্পকাৰ। 1964 চনৰ পৰা বর্তমানলৈকে শীলভদ্ৰই যথেষ্ট সংখ্যক গল্প ৰচনা কৰিছে আৰু এই গল্পসমূহ ইতিমধ্যে প্রকাশ পোৱা তেওঁৰ 26খন গল্প সঙ্কলনত সন্নিবিষ্ট হৈছে। তেওঁৰ এই গল্পসমূহ দুটা অংশত *শীলভদ্ৰৰ গল্প সমগ্র* নামেৰে প্রকাশিত হৈছে আৰু ইয়াত 409টা গল্প অন্তর্ভুক্ত হৈছে। সেয়ে চৈয়দ আব্দুল মালিকৰ পাছত শীলভদ্ৰই বেছি সংখ্যক গল্প ৰচনা কৰিছে বুলি মুনীন বায়নে মন্তব্য কৰিছে। তেওঁ জন্ম ঠাই মধুপুৰক লৈ শীলভদ্ৰই ভালেখিনি গল্প ৰচনা কৰিছে।



জানি থোৱা ভাল

1924 চনত জন্মগ্রহণ কৰিলেও শীলভদ্ৰ উত্তৰ ৰামধেনু যুগৰহে এজন প্রবীণ গল্পকাৰ। কাৰণ তেওঁ গল্প লিখিবলৈ আৰম্ভ কৰে *ৰামধেনু* আলোচনীৰ পৰৱর্তী সময়ত। অর্থাৎ বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ সম্পাদনাৰ পিছত *ৰামধেনু* আলোচনীখন অনিয়মীয়াভাৱে কিছুদিন চলি আছিল যদিও *ৰামধেনুত* তেওঁৰ কোনো গল্প প্রকাশ হোৱা নাছিল। সেই অর্থত শীলভদ্ৰ উত্তৰ ৰামধেনু যুগৰ গল্পকাৰ।

জীৱনৰ দুকুৰি বছৰ বয়সত অর্থাৎ 1964 চনত চন্দ্রপ্রসাদ শইকীয়াৰ দ্বাৰা সম্পাদিত *অসম বাতৰিত* প্রকাশ পোৱা 'অভিযোগ' গল্পটোৰেই হ'ল শীলভদ্ৰৰ প্রথম গল্প।

উত্তৰ ৰামধেনু যুগৰ শক্তিশালী গল্পকাৰ শীলভদ্ৰৰ গল্পত অগতানুগতিকতাৰ পয়োভৰ দেখিবলৈ পোৱা যায়। শীলভদ্ৰৰ গল্পসমূহৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। তেওঁৰ গল্পসমূহ বিশ্লেষণ কৰি চালে তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহ পৰিলক্ষিত হয়।

শীলভদ্রৰ গল্পসমূহত তেওঁ জন্মস্থান মধুপুৰৰ বিভিন্ন চিত্র প্রতিফলিত হৈছে। অর্থাৎ মধুপুৰৰ সমাজ জীৱন, শিক্ষা-সংস্কৃতি, অর্থনৈতিক অৱস্থা আদি গল্পৰ মাজেৰে তুলি ধৰি শীলভদ্রই এটা বিশেষ যুগক প্রতিনিধিত্ব কৰিছে। অর্থাৎ শীলভদ্রই তেওঁৰ গল্পত গৌৰীপুৰৰ এটা বিশেষ যুগৰ চৰিত্র কিছুমান ৰূপায়িত কৰিছে আৰু বর্তমানৰ পোহৰত নিৰুত্তাপ দৃষ্টিভঙ্গীৰে চৰিত্রসমূহৰ জীৱনৰ দুখ-দুর্দশা তথা বিড়ম্বনা লক্ষ্য কৰিছে। স্মৃতিৰ জৰিয়তে শীলভদ্রই অতীতৰ কিছুমান চৰিত্রত দৃষ্টি নিক্ষেপ কৰিছে আৰু সেইবোৰক অতি কৌশলেৰে তেওঁ গল্পৰ মাজলৈ টানি আনিছে। সেয়ে শীলভদ্রৰ গল্পত গুণ-গৰিমা আৰু প্রাচুর্যৰে পৰিপূর্ণ মধুপুৰৰ সামন্তযুগীয় সমাজখনৰ লগতে অমানৱীয়তা আৰু অন্তঃসাৰশূন্যতাৰে পৰিপূর্ণ বর্তমানৰ ক্ষয়িষ্ণু সমাজৰ চিত্রও উন্মোচিত হোৱা দেখা যায়। মধুপুৰৰ ক্ষয়িষ্ণু জীৱনধাৰা প্রত্যক্ষ কৰিলেও মধুপুৰৰ সমাজ জীৱন আৰু প্রত্যেকজন মানুহৰ প্রতি থকা আন্তৰিক টানে তেওঁৰ গল্পসমূহক এক সুকীয়া আবেদন প্রদান কৰিছে। মধুপুৰৰ সকলো লোককে সহমর্মিতা আৰু আন্তৰিকতাৰে শীলভদ্রই তেওঁৰ গল্প বা সাহিত্যত স্থান দিছে। উদাহৰণ স্বৰূপে, 'মধুপুৰ বহুদূৰ' গল্পটোৰ কথা ক'ব পাৰি। গল্পটোত স্মৃতিৰ জৰিয়তে গল্পকাৰে অতীত জীৱনৰ কথা প্রকাশ কৰিছে। আজিৰ পৰা কেইবাদশক আগৰ মধুপুৰৰ চিত্র, মধুপুৰৰ মানুহ, শিক্ষা-সংস্কৃতিৰ বর্ণনা দিয়াৰ লগতে সময়ৰ ধামখুমীয়াত মধুপুৰৰ কেনেধৰণৰ পৰিৱর্তন ঘটিছে তাৰ চিত্রও দাঙি ধৰিছে। অতীত স্মৃতিৰ সুন্দৰ প্রকাশ ঘটিছে 'মধুপুৰ বহুদূৰ' গল্পৰ মাজেৰে। এই গল্পটোৰ উপৰিও অন্য এক মধুপুৰ, জীৱনৰ ৰং, সহযাত্রী, সমদল, মানসিক, গৌৰীপুৰ, নির্বিকাৰ আদি বিভিন্ন গল্পত মধুপুৰৰ সমাজ জীৱন আৰু মধুপুৰৰ বাস্তৱ চৰিত্র কিছুমান সজীৱ তথা জীৱন্তৰূপে ফুটি উঠিছে।

শীলভদ্রৰ গল্পৰ আন এক বিশেষত্ব হ'ল গল্প কোৱাৰ অপূর্ব ভঙ্গী আৰু বাস্তৱধর্মী জীৱনৰ ৰূপায়ণ। শীলভদ্রৰ গল্পৰ যি অনাড়ম্বৰ প্রকাশভঙ্গী বা উপস্থাপন শৈলী সি মানুহক সহজতে আকর্ষিত কৰিব পাৰে। তেওঁ সমাজৰ কিছুমান চৰিত্রক পৰিমিত ভাষাৰে, মার্জিতভাৱে ব্যঙ্গ কৰিছে যদিও সি ব্যঙ্গ হিচাপে ৰূপায়িত নহৈ বাস্তৱ সমাজৰ সুন্দৰ প্রতিফলন হৈ পৰিছে। সমাজ জীৱনত দেখা পোৱা সকলো ধৰণৰ চৰিত্রই শীলভদ্রৰ গল্পত প্রকাশ পাইছে। সমাজৰ ভণ্ড তথা অশুভ শক্তিৰ বিৰুদ্ধে গল্পত যিদৰে ব্যঙ্গ কৰা হৈছে সেইদৰে তল শ্রেণীৰ চৰিত্রসমূহৰ দুখ-বেদনাৰ চিত্রও মর্মস্পর্শীভাৱে ফুটি উঠিছে। গভীৰ সংবেদনশীলতাৰে শীলভদ্রই সমাজৰ পদদলিত, শোষিত, নিষ্পেষিতজনৰ প্রতি অনুকম্পা প্রকাশ কৰিছে। নিদর্শন স্বৰূপে— বিশ্বাসভাজন, বৃত্ত, সঙ্গী, বন্ধু ৰামেশ্বৰ, পৰিৱর্তন, আপোন মানুহ, সহযাত্রী আদি গল্পত কিছুমান সাধাৰণ চৰিত্রই ভুমুকি মাৰিছে। শীলভদ্রৰ গল্পৰ বিশেষত্বৰ বিষয়ে হোমেন বৰগোহাঞিয়ে কৈছে যে, "সাধাৰণ মানুহৰ চিৰন্তন জীৱনধাৰাৰ হর্ষ-বিষাদ মিহলি কেতবোৰ সমস্যাক তেওঁ গল্পবোৰত উপস্থাপিত কৰিছে। তেওঁৰ বহুতো গল্পত বাস্তৱ সমাজ আৰু বাস্তৱ জীৱন অতি জীৱন্ত ৰূপত ফুটি উঠিছে।"

সহজ-সৰল অনাড়ম্বৰ ভাষা আৰু স্বকীয় কথনভঙ্গী শীলভদ্ৰৰ গল্পৰ আন এক অন্যতম বৈশিষ্ট্য। শীলভদ্ৰই তেওঁৰ গল্পসমূহৰ বিষয়বস্তু আৰু চৰিত্ৰ বাস্তৱ জীৱনৰ পৰা গ্ৰহণ কৰা বাবে তেওঁৰ গল্পৰ ভাষাও অতি অনাড়ম্বৰ, সৰল আৰু পোনপটীয়া। চুটি চুটি বাক্য আৰু সাৱলীল প্ৰকাশভঙ্গীৰে তেওঁ গল্পৰ কাহিনীভাগ আগবঢ়াই লৈ যায়। তদুপৰি তেওঁ যথেষ্টসংখ্যক গল্পত মধুপুৰৰ স্থানীয় ভাষাৰ প্ৰয়োগ কৰিছে। মধুপুৰ অঞ্চলৰ স্থানীয় লোকভাষা ব্যৱহাৰ কৰা বাবে তেওঁৰ গল্পৰ চৰিত্ৰসমূহ সৰ্বসাধাৰণৰ মাজত বেছি জনপ্ৰিয় আৰু জীৱন্ত হৈ উঠিছে। স্থানীয় কথিত ভাষাৰ প্ৰয়োগে তেওঁৰ গল্পসমূহক অধিক বাস্তৱধৰ্মী কৰি তোলাৰ লগতে সেই সময়ৰ সমাজখনকো সজীৱ আৰু জীৱন্ত ৰূপত চিত্ৰিত কৰি তুলিবলৈ সক্ষম হৈছে। নিদৰ্শন স্বৰূপে— মধুপুৰ বহুদূৰ, সহযাত্ৰী, আপোন মানুহ, পৰিস্থিতি, গৌৰীপুৰ, হুলটু আৰু তাৰ ল'ৰা, সঙ্গী, নিজৰ মানুহ আদি বিভিন্ন গল্পত মধুপুৰৰ স্থানীয় লোকসভাৰ প্ৰয়োগ পোৱা যায়।

শীলভদ্ৰৰ গল্পৰ আন এক বিশেষত্ব হ'ল চৰিত্ৰৰ মনঃস্তাত্ত্বিক বিশ্লেষণ। তেওঁৰ গল্পসমূহলৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে তেওঁ গল্পত ৰূপায়ণ কৰা বাস্তৱধৰ্মী চৰিত্ৰবোৰৰ আচৰণ, কৰ্ম আৰু কথা-বতৰাৰ মাজেৰে চৰিত্ৰৰ মনঃস্তাত্ত্বিক বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰিছে। অৰ্থাৎ সমাজৰ বিবিধ সমস্যা আৰু মানুহৰ মনঃস্তাত্ত্বিক প্ৰতিক্ৰিয়া আদি তেওঁৰ গল্পৰাজিৰ প্ৰধান উপজীব্য।শীলভদ্ৰৰ গল্পৰ পৰিধি অতি বিস্তৃত। তদুপৰি তেওঁৰ বাস্তৱ জীৱনৰ পৰা লাভ কৰা অভিজ্ঞতা প্ৰচুৰ আৰু অনুধাৱন তথা পৰ্যবেক্ষণ শক্তিও গভীৰ। শীলভদ্ৰই এখন বৃহৎ সমাজৰ বিভিন্ন স্তৰৰ সৰু-ডাঙৰ সকলো ধৰণৰ মানুহকে গল্পৰ চৰিত্ৰ হিচাপে বাছি লৈছে আৰু সেই সকলো চৰিত্ৰৰ অন্তঃস্থলত প্ৰৱেশ কৰি সেইবোৰৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰকাশত গুৰুত্ব দিছে। তেওঁৰ গল্পৰ মাজত ফুটি উঠা গভীৰ সংবেদনশীলতাৰ বাবে গল্পসমূহ সাধাৰণ পাঠকৰ হৃদয়স্পৰ্শী হৈ পৰিছে। মানুহৰ জীৱনৰ সুখ-দুখ, প্ৰেম, ঈৰ্ষা, হিংসা, বিদ্বেষ, অহঙ্কাৰ, ভণ্ডামি, স্বাৰ্থপৰতা, নিঃসঙ্গতা আদি বিভিন্ন মানৱ জীৱনৰ অভিব্যক্তি তেওঁৰ গল্পৰ মাজেৰে পৰিস্ফুট হৈছে। গতিকে এই সকলো মানৱীয় কাৰ্যকলাপৰসফল ৰূপায়ণ ঘটিছে তেওঁৰ গল্পত। এনে গল্পৰ নিদৰ্শন স্বৰূপে— সংগ্ৰাম, আৰু এটা দিন, নিঃসঙ্গতা, অপ্ৰিয় সত্য, অচিনাকি, বাতাবৰণ, কেম্পাচ, অসুখ, মনোবৃত্তি আদি গল্পৰ কথা উল্লেখ কৰিব পাৰি।

শীলভদ্ৰৰ গল্পৰ আন এক মন কৰিবলগীয়া দিশ হ'ল তেওঁৰ বৰ্ণনাৰ পৰিমিতিবোধ। এক কথাত ক'বলৈ হ'লে শীলভদ্ৰ প্ৰকৃতাৰ্থত এজন সফল চুটিগল্পকাৰ। তেওঁৰ গল্পবোৰ চুটি চুটি, বাক্যবোৰো চুটি আৰু কাহিনীৰ বিন্যাসো সৰল আৰু সংক্ষিপ্ত। অতি সংক্ষিপ্ত পৰিসৰৰ মাজতে শীলভদ্ৰই একোটা চৰিত্ৰৰ বিশেষ কিছুমান চাৰিত্ৰিক বৈশিষ্ট্য অঙ্কন কৰাত সিদ্ধহস্ততাৰ পৰিচয় দিছে। অযথা দীঘলীয়া বৰ্ণনা তেওঁৰ গল্পত পোৱা নাযায়। কম কথাৰে, চুটি চুটি বাক্যৰে তেওঁ গল্পৰ মাজৰ কিছুমান পৰিস্থিতি বৰ যথাযথভাৱে চিত্ৰিত কৰিছে।শীলভদ্ৰৰ গল্পসমূহ দীঘলীয়া কাহিনীসমৃদ্ধ নহয়। নিৰলঙ্কাৰ

ভাষাৰে, কম কথাতে একোটা চৰিত্রক পাঠকৰ মনঃচক্ষুত সাঁচ বহুৱাব পৰাকৈ তুলি ধৰা আৰু একোটা বিশেষ পৰিস্থিতি জীৱন্ত ৰূপত উদ্ভাসিত কৰি তুলিব পৰাতেই শীলভদ্ৰৰ গল্পৰ সার্থকতা নিহিত হৈ আছে। বর্ণাশ্রম, অজ্ঞতা, ডাঙৰ মানুহ সৰু মানুহ, স্থায়িত্ব, বিশিষ্ট অতিথি, অনুৰাগ, অবিস্মৰণীয় চৰিত্র আদি গল্পসমূহ এনেধৰণৰ।

শীলভদ্ৰৰ বিভিন্ন গল্পত সমাজ জীৱনৰ পৰিৱর্তনৰ ছবি ফুটি উঠিছে। তেওঁৰ গল্পত ন-পুৰণিৰ দ্বন্দ্ব আৰু লাহে লাহে অৱক্ষয় হ'বলৈ ধৰা নৈতিক প্রমূল্যবোধৰ ইঙ্গিত আছে। তেওঁৰ প্রায়বোৰ গল্পতে মানৱ সমাজ আৰু জীৱনধাৰাৰ পৰিৱর্তনৰ ছবি পোৱা যায় আৰু সেই পৰিৱর্তনৰ পৰিপ্রেক্ষিতত নিজক খাপ খুৱাবলৈ গৈ কেনেদৰে মানসিক অন্তর্দ্বন্দ্বত ভুগিবলগা হয় তাৰ সূক্ষ্ম বিশ্লেষণ প্রতিফলিত হৈছে। পৰিৱর্তিত পৰিস্থিতিত পুৰণিসকলে নতুনৰ লগত ভালদৰে খাপ খাব নোৱাৰি যি এক অন্তর্বেদনা অনুভৱ কৰে তাৰ এক বাস্তৱ চিত্র শীলভদ্রই বিভিন্ন গল্পৰ যোগেদি অঙ্কন কৰিছে। তেনে গল্পৰ ভিতৰত পৰিস্থিতি, বাতাবৰণ, পৰিৱর্তন, উৎকণ্ঠা, চিন্তাৰ কথা, অকলশৰীয়া, অসুখ আদি গল্পৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি।

চুটিগল্পৰ আঙ্গিকৰ প্রতিও শীলভদ্র অতি সচেতন আছিল। তেওঁৰ গল্পসমূহত বিষয়বস্তু বা ঘটনা, চৰিত্র আৰু পৰিস্থিতিৰ মাজত এক সুন্দৰ যোগসূত্র পৰিলক্ষিত হয়। চৰিত্রৰ লগত খাপ খোৱা তিতা-মিঠা যিকোনো পৰিস্থিতি তেওঁ খুটি-নাটি মাৰি গুৰুত্ব সহকাৰে বর্ণনা কৰিছে। অতি সতর্কতাৰে তেওঁ সমাজৰ যিকোনো পৰিস্থিতি আৰু চৰিত্রক পুঙ্খানুপুঙ্খভাৱে অধ্যয়ন কৰে আৰু তাক গল্পৰ জৰিয়তে প্রকাশ কৰিবলৈ চেষ্টা কৰে। শীলভদ্রৰ গল্পত প্রতিফলিত হোৱা বিষয়বস্তু, ভাব আৰু কল্পনাৰ মধুৰ সংযোগে তেওঁৰ গল্পসমূহক পাঠকৰ কাষ চপাই নিছে।

গতিকে ক'ব পাৰি যে শীলভদ্রৰ গল্পৰ এক সুকীয়া ঠাঁচ আছে। আধুনিক অসমীয়া গল্পকাৰসকলৰ ভিতৰত শীলভদ্র এগৰাকী অগতানুগতিক গল্পকাৰ। শীলভদ্রৰ গল্পত ফুটি উঠা স্বকীয় বৈশিষ্ট্যসমূহে তেওঁৰ গল্পবোৰক এক বিশেষ মাত্রা প্রদান কৰিছে। তেওঁৰ গল্পৰ আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল গোৱালপাৰাৰ দৰে এখন ঠাইৰ ভাষা, সেই ঠাইৰ জমিদাৰী সমাজ ব্যৱস্থা, জমিদাৰী সমাজ ব্যৱস্থাত আঢ্যৱন্ত লোকসকলৰ জীৱনধাৰা, পৰিৱর্তিত সময়ৰ ধামখুমীয়াত তেওঁলোকৰ জীৱন-যাত্রাৰ ধীৰ গতিত হোৱা অৱক্ষয়, সাধাৰণ কৃষক বনুৱাসকলৰ জীৱনৰ দুখ-যন্ত্রণা ইত্যাদি নানা ধৰণৰ কাহিনী তেওঁ গল্পসমূহৰ মাজেৰে পৰিস্ফুট কৰিছে।গতিকে আন অঞ্চলতকৈ এক সুকীয়া সমাজ ব্যৱস্থা বর্তি থকা গোৱালপাৰাৰ দৰে অখ্যাত ঠাই এখনক মনোৰম উপস্থাপনৰ জৰিয়তে পাঠকৰ মনত সাঁচ বহুৱাব পৰাকৈ তুলি ধৰিব পৰাটোৱেই হ'ল শীলভদ্রৰ আটাইতকৈ ডাঙৰ কীর্তি। গোৱালপাৰা তথা মধুপুৰৰ বিভিন্ন কাহিনী আৰু চৰিত্রই হ'ল শীলভদ্রৰ গল্পসমূহৰ মুখ্য উপজীব্য।



অগ্রগতি নিৰীক্ষণ

২ নং প্রশ্ন ঃ শীলভদ্রৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰক। [150 টা শব্দৰ ভিতৰত)

১২.৪ 'সংগ্রাম'

অসমীয়া গল্প সাহিত্যক সমৃদ্ধ কৰি তোলা জনপ্রিয় গল্পকাৰ শীলভদ্রৰ এটা অন্যতম চুটিগল্প হ'ল 'সংগ্রাম'। গল্পটোত এজন অতি উচ্চাকাংক্ষী যুৱকৰ জীৱনত প্রতিষ্ঠা লাভৰ বাবে কৰা চেষ্টা প্রতিভাত হৈছে। অসমীয়া গল্প সাহিত্যৰ ভিতৰত সংগ্রাম এটা উৎকৃষ্ট চুটিগল্প। গল্পটোৰ জৰিয়তে গল্পকাৰে মানৱ জীৱনৰ কিছুমান বিশেষ উপলব্ধি আৰু কিছুমান চিৰন্তন অনুভূতি মর্মস্পর্শীভাৱে প্রকাশ কৰিছে।

১২.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

নিজস্ব প্রকাশভঙ্গী আৰু এক সুকীয়া শৈলীৰে গল্প ৰচনাত মনোনিৱেশ কৰা গল্পকাৰ শীলভদ্রই অসমীয়া গল্প সাহিত্যত কেইবাটাও সর্বোৎকৃষ্ট গল্প ৰচনা কৰি থৈ গৈছে। তেনে গল্পসমূহৰ ভিতৰত সংগ্রাম গল্পটো অন্যতম। মানৱ জীৱনৰ চিৰন্তন অনুভূতি কিছুমানক এটা বা দুটা বাক্যৰে ইঙ্গিতাত্মকভাৱে তেওঁ গল্পটোত উপস্থাপন কৰিছে। অতি অনাড়ম্বৰ তথা নিৰলঙ্কাৰ ভাষাৰে তেওঁ চৰিত্রৰ অন্তঃস্থলত প্রৱেশ কৰি মানৱ চৰিত্রৰ কিছুমান বিশেষ দিশ গল্পটোৰ যোগেদি উদঙাই দিছে। সংগ্রাম গল্পটোত মহেশ নামৰ এজন উচ্চাকাংক্ষী যুৱকৰ জীৱনত প্রতিষ্ঠা লাভ কৰাৰ যি অদম্য ইচ্ছা তাক প্রকাশ কৰা হৈছে। আনৰ ঘৰত কাম-বন কৰি নানা ধৰণৰ লাঞ্ছনা-গঞ্জনাৰ সন্মুখীন হৈয়ো ধৈর্য ধৰি মহেশে কিদৰে জীৱনত প্রতিষ্ঠা লাভ কৰে সেই কথা গল্পকাৰে সংগ্রাম নামৰ গল্পটিৰ জৰিয়তে প্রকাশ কৰিছে। খেতিয়কৰ ল'ৰা হ'লেও মহেশৰ মনৰ ভিতৰত থকা উচ্চাকাংক্ষাৰ বাবেই জীৱনত তেওঁ প্রতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।

শীলভদ্রৰ গল্প কোৱাৰ এক নিজস্ব ভঙ্গী আছে। সংগ্রাম গল্পটোতো সেই আকর্ষণীয় ভঙ্গী আৰু উপস্থাপন শৈলী প্রয়োগ কৰা দেখা যায়। বিশিষ্ট গল্পকাৰ শীলভদ্রৰ গল্পৰ বিষয়বস্তুতকৈ তেওঁৰ গল্প কোৱাৰ ভঙ্গী অধিক আকর্ষণীয়। তেওঁ খুব কম কথাৰে ইঙ্গিতাত্মকভাৱে চৰিত্র একোটাৰ চাৰিত্রিক দিশসমূহ তুলি ধৰিবলৈ সক্ষম হয়। সংগ্রাম গল্পটো ইয়াৰ ব্যতিক্রম নহয়। এই গল্পটোত শীলভদ্রই দুই-এটা সংলাপৰ যোগেদি মহেশ, অৰুণা, বৰুৱা আদি চৰিত্রৰ বিশেষত্ব প্রকাশ কৰিছে। গল্পটোৰ বর্ণনাত অসামান্য পৰিমিতিবোধ লক্ষ্য কৰা যায়। কম পৰিসৰতে আবেগত গুৰুত্ব নিদিয়াকৈ শীলভদ্রই সংগ্রাম গল্পটোৰ চৰিত্রসমূহ পৰিস্ফুট কৰি তুলিছে। চৰিত্রসমূহৰ সবলতা, দুর্বলতা আৰু অন্তর্জগতৰ ছবি তেওঁ অতি মর্মস্পর্শীভাবে সংবেদনশীলতাৰে অঙ্কন কৰিছে।

অসমীয়া গল্প সাহিত্যত শীলভদ্রৰ সংগ্রাম গল্পটোৰ এক বিশেষ মূল্য আছে।

গল্পটোৰ মাজেদি মানুহৰ জীৱনৰ প্ৰেম, ঘৃণা, ঈৰ্ষা, বিদ্বেষ, হতাশা, অহঙ্কাৰ, হিংসা, ঠাট্টা-মস্কৰা, আপোচৰ মনোবৃত্তি, উচ্চাকাংক্ষা, দয়া, মৰম, কপটতা আদি মানৰ জীৱনৰ লগত সম্পৃক্ত হৈ থকা বিভিন্ন স্বাভাৱিক অনুভূতি সুন্দৰ ৰূপত প্ৰকাশিত হৈছে। মানৰ জীৱনৰ এই ভিন্ন ভাবানুভূতিবোৰ শীলভদ্রই অতি কম কথাৰে স্পষ্টভাৱে 'সংগ্রাম' গল্পটোত পৰিস্ফুট কৰিব পাৰিছে। কেতিয়াবা এটা বাক্যৰ মাজতে চৰিত্র একোটাৰ এটা বিশেষ দিশ উন্মোচিত হৈছে। শীলভদ্রই বিভিন্ন দৃষ্টিকোণৰ পৰা চৰিত্র একোটাক কেনেকৈ কোনো আবেগৰ বশৱৰ্তী নোহোৱাকৈ নিৰপেক্ষভাৱে খুটি-নাটি মাৰি বিচাৰ কৰে সেই কথা 'সংগ্রাম' গল্পটোৰ জৰিয়তে জানিব পাৰি। তদুপৰি যিকোনো পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি গল্পত তাক চৰিত্রৰ লগত কেনেদৰে অঙ্গাঙ্গীভাৱে সম্পৰ্কিত কৰে তাৰ উমানো সংগ্রাম গল্পটোৱে দাঙি ধৰে।

মুঠতে 'সংগ্রাম' গল্পটোত অতি সচেতনতাৰে শীলভদ্রই মানৱীয় আবেদনসমূহ তুলি ধৰিছে আৰু সেয়ে অসমীয়া গল্প-সাহিত্যত সংগ্রাম গল্পটোৰ এক বিশেষ মূল্য আছে বুলিব পাৰি।

১২.৪.২ গল্পটোৰ কাহিনীভাগ

শীলভদ্রৰ শ্রেষ্ঠ গল্পসমূহৰ ভিতৰত এটা উল্লেখযোগ্য গল্প হ'ল সংগ্রাম। গল্পটোৰ কাহিনীভাগ এনে ধৰণৰ—

মহিম বৰুৱা মাটি-বাৰী, সা-সম্পত্তিৰে এজন অৱস্থাপন্ন ব্যক্তি। মহিম বৰুৱাৰ স্বজাতিৰে এজন খেতিয়কৰ ল'ৰা হ'ল মহেশ কলিতা। মহেশে মহিম বৰুৱাৰ ঘৰত থাকি স্কুলত পঢ়ে আৰু তাৰ বিনিময়ত মহিম বৰুৱাৰ ঘৰৰ বজাৰ কৰা, গৰু চোৱা, ল'ৰা-ছোৱালী চোৱা-চিতা কৰা, বুঢ়ী আইতাকৰ মূৰত কবিৰাজী তেল ঘঁহা আদিকে ধৰি ভালেখিনি ঘৰুৱা কাম-বন কৰে। দৈনন্দিন ঘৰুৱা কাম-বনৰ ফাঁকে ফাঁকে মহেশে পঢ়া-শুনাও কৰে। কাৰণ, মহেশৰ প্রধান আশা হ'ল যিকোনো প্রকাৰে শিক্ষা-দীক্ষা লাভ কৰি ভৱিষ্যৎ জীৱনৰ ভাল কাম এটা কৰাৰ যোগ্যতা অর্জন কৰা। সেয়ে মহেশে মহিম বৰুৱাৰ ঘৰৰ মানুহৰ সকলো দুর্ব্যৱহাৰ আৰু অপমান সহ্য কৰি হ'লেও নিজৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰে। কিন্তু লাহে লাহে মহেশে কৰা ঘৰুৱা কাম-বনবোৰ মহিম বৰুৱাৰ ঘৰৰ মানুহখিনিৰ চকুত নপৰা হ'ল। তেওঁলোকে ডেকা ল'ৰা এজনক এনেই খুৱাই-বুৱাই ৰখা বুলি ভাবি অশান্তি পাবলৈ ধৰিছে।সকলো বুজি পাইছিল যদিও উচ্চাকাংক্ষী মহেশৰ সম্মুখত টেষ্ট পৰীক্ষা সমাগত বাবে মহেশে চকু-কাণ মুদি সকলো সহ্য কৰি গ'ল। মহিম বৰুৱাৰ পাঁচোটা ল'ৰা-ছোৱালীৰ ভিতৰত ডাঙৰ ছোৱালী অৰুণাই মহেশক চকু পাৰি দেখিব নোৱাৰে। সেয়ে কথাই কথাই সুবিধা পালেই ঠাট্টা-বিদ্রূপ কৰিবলৈ ধৰে। আকৌ বৰুৱাৰ নুমলীয়া সন্তান ভাইটিৰো যেন মহেশৰ প্রতি কিবা এক আক্রোশত তাৰ কিতাপ-বহীবিলাক ফালি-ছিৰি পেলায়। কিন্তু ক্রমে মহেশৰ মনত

প্রতিকূল অৱস্থাৰ মাজতো জীৱনত উন্নতি কৰাৰ জেদ এটা গঢ় লৈ উঠে আৰু সেয়ে সকলো বাধা-বিঘিনি নেওচি মহেশে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত বি.এ. পাছ কৰি বীমা কোম্পানী এটাত এজেণ্ট হিচাপে সোমাই অৱশেষত বীমা কোম্পানীটোৰ ইন্সপেক্টৰ হৈ উচ্চ পদবীত মকৰল হ'ল।

বিনা প্ৰতিবাদেৰে মহেশে সকলো সহ্য কৰি গৈছিল যদিও তেওঁৰ মনত আক্ৰোশ আৰু প্ৰতিহিংসাৰ ভাব প্ৰোথিত হৈ আছিল। সেয়ে মহেশে "জ্ঞাতে-অজ্ঞাতে প্ৰত্যেকটো অপমান আৰু অত্যাচাৰৰ নিখুঁত হিচাপ এটা ৰাখি থৈছে। দিন আহিলে ভৱিষ্যতে এই অপমানৰ প্ৰতিশোধ ল'ব লাগিব।" জীৱনত প্ৰতিষ্ঠা লাভ কৰি মহেশৰ সেই কথা মনত পৰি গ'ল। ইফালে লাহে লাহে মহিম বৰুৱাৰ ঘৰুৱা অৱস্থা বেয়া হ'বলৈ ধৰিলে। গতিকে মহিম বৰুৱাৰ ঘৰত পোৱা দুৰ্ব্যৱহাৰৰ প্ৰতিশোধ লোৱাৰ কথা মনত পৰি মহেশে তেওঁলোকৰ পৰিয়ালটোৰ খবৰ ল'বলৈ ধৰিলে। মহেশে খবৰ লৈ জানিব পাৰিলে অৰুণাৰো বিয়া হোৱা নাই। তেতিয়া মহেশৰ মনত আন এক চিন্তাই ক্ৰিয়া কৰিবলৈ ধৰিলে। মহেশে মহিম বৰুৱাৰ ঘৰৰ লজ্জাজনক অতীতৰ স্মৃতি মচি পেলাই অৰুণাক নিজৰ কৰি লোৱাৰ আশাত আত্মহাৰা হৈ পৰিল আৰু একেলগে পঢ়া-বন্ধু যতীনৰ হতুৱাই সেই কথা মহিম বৰুৱাৰ কাণ চোৱালে। খবৰটো শুনি বৰুৱা-বৰুৱানী আনন্দিত হ'ল যদিও অৰুণা মান্তি নহ'ল। ফলত মহেশৰ সেই আশাত চেঁচা পানী পৰিল। ইতিমধ্যে মহেশ এল-আই-চিৰ ব্ৰান্স মেনেজাৰ হয়। মহেশৰ একে ঠাইৰে এল-আই-চিৰ এছিচটেণ্ট ব্ৰাঞ্চ মেনেজাৰ হীৰেন শৰ্মাৰ পৰা অৰুণাৰ বিয়াৰ খবৰ পায়। ডিচি অফিচৰ কেৰাণী সুৰেন ডেকাৰ লগত অৰুণাৰ বিয়া হয়। তাৰ পাছতো মহেশ ক্ষান্ত নাথাকি অৰুণাৰ সুৰেন ডেকাৰ লগত অসুখী সংসাৰৰ সুযোগ লৈ অৰুণাক যিকোনো প্ৰকাৰে কিনিবলৈ চায়। সুৰেন ডেকাৰ লগত বিয়া হৈ ভাল কাম নকৰিলে বুলি মহেশে অৰুণাক পাকে-প্ৰকাৰে বুজাবলৈ ধৰিলে। কিন্তু মহেশৰ সকলো প্ৰচেষ্টা বিফল কৰি অৱশেষত অৰুণাই কৈ উঠে— 'কুকুৰক লাই দিলে মূৰত উঠে'। এইদৰে জীৱনত উন্নতিৰ জখলা বগাই প্ৰতিষ্ঠা লাভ কৰি নিজৰ তথা গাঁৱৰ মানুহৰ মনত ঈৰ্ষাৰ সৃষ্টি কৰিবলৈ বিচৰা মহেশে এটা বিশেষ সামাজিক স্তৰত আৰোহণ কৰিলে সঁচা, কিন্তু বৰুৱাৰ ছোৱালী অৰুণাৰ প্ৰতি থকা তাৰ ভালপোৱা আদায় কৰাত শেষ মুহূৰ্তত মহেশ ব্যৰ্থ হ'ল। এইখিনিতেই হ'ল 'সংগ্ৰাম' গল্পটোৰ মূল কাহিনী।

শীলভদ্ৰৰ 'সংগ্ৰাম'এটা অতি সুখপাঠ্য আৰু মৰ্মস্পৰ্শী গল্প।গল্পটোত গল্পকাৰে মানৱ জীৱনৰ লগত জড়িত হৈ থকা কিছুমান বিশেষ অনুভূতিৰ নিৰ্মোহ বিশ্লেষণ দাঙি ধৰিছে। গল্পটোত শীলভদ্ৰই চৰিত্ৰ আৰু পৰিস্থিতিক অঙ্গাঙ্গীভাৱে এনেদৰে সংযুক্ত কৰিছে যে সি সকলো পাঠকৰ মনত এক সুন্দৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে। অসমীয়া গল্প-সাহিত্যত শীলভদ্ৰৰ সংগ্ৰাম এটা লেখত ল'বলগীয়া গল্প হিচাপে জিলিকি থাকিব।

১২.৪.৩ গল্পটোৰ চৰিত্ৰসমূহ

শীলভদ্রৰ সংগ্রাম গল্পটোত কেইবাটাও চৰিত্র সন্নিৱিষ্ট হৈছে। সেই চৰিত্রকেইটা হ'ল গল্পৰ নায়ক মহেশ, অৰুণা, মহিম বৰুৱা, মহিম বৰুৱাৰ পত্নী বৰুৱানী, বুঢ়া আইতা, যতীন, সুৰেন ডেকা, হীৰেন শর্মা ইত্যাদি। শীলভদ্রই অতি কম কথাৰ মাজেৰেই এই প্রত্যেকটো চৰিত্রক পাঠকৰ সন্মুখত নিখুঁতভাৱে দাঙি ধৰিছে। তদুপৰি কেতিয়াবা এটা বা দুটা বাক্যতে চৰিত্র একোটাৰ এটা বিশেষ চাৰিত্রিক বৈশিষ্ট্যও ফুটি উঠিছে।

- **মহেশ ঃ** সংগ্রাম গল্পটোৰ কেন্দ্রীয় চৰিত্র হ'ল মহেশ। মহেশ খেতিয়কৰ ল'ৰা। খেতিয়কৰ ল'ৰা হ'লেও মহেশ উচ্চাকাংক্ষী। সেয়ে মহেশে স্বজাতিৰ মানুহ মহিম বৰুৱাহঁতৰ ঘৰত কাম কৰি হ'লেও পঢ়া-শুনা কৰিবলৈ মন মেলে। গাঁৱৰ মানুহে মহেশৰ এই কার্যক ঠাট্টা-বিদ্রূপ কৰে। পঢ়া-শুনা কৰি মহেশ হাকিম হ'ব বুলি বিদ্রূপ কৰা গাঁৱৰ মানুহখিনিৰ মনত কিছু আশঙ্কা নথকা নহয়। অর্থাৎ খেতিয়কৰ ল'ৰা মহেশ হাকিম নহ'লেও মণ্ডল, মহৰী হ'ব বুলি মহেশৰ প্রতি এক আশঙ্কাৰ জন্ম হয়। ইফালে বৰুৱাহঁতৰ ঘৰত ঘৰুৱা কাম-বন কৰি পঢ়া-শুনা কৰে যদিও এটা সময়ত মহেশৰ কামবোৰ বৰুৱাৰ ঘৰৰ মানুহৰ চকুত নপৰা হয় আৰু ডেকা ল'ৰা এটাক খুৱাই-বুৱাই ৰাখিবলগা হোৱা বুলি মনত অশান্তিৰ সৃষ্টি হয়। সেয়ে মহিম বৰুৱাৰ ঘৰত মহেশ নানা ধৰণৰ দুর্ব্যৱহাৰৰ সন্মুখীন হয়। ফলস্বৰূপে মহেশৰ মনত বৰুৱাহঁতৰ প্রতি এক আক্রোশ আৰু প্রতিহিংসাৰ ভাব জন্ম হয়। এইদৰে নানা লাঞ্ছনা-গঞ্জনাৰ সন্মুখীন হৈয়ো মহেশে বি.এ. পাছ কৰে আৰু এল-আই-চিত সোমাই শেষত ব্রাঞ্চ মেনেজাৰ পদলৈ উন্নীত হয়। কিন্তু শিক্ষা-দীক্ষাৰে শিক্ষিত হৈ মহেশে সমাজৰ এক উচ্চ স্তৰলৈ গতি কৰিলে যদিও তেওঁৰ মানসিক জগতৰ কোনো উত্তৰণ ঘটা দেখা নগ'ল। কাৰণ মহেশে অৰুণাৰ প্রতি থকা তাৰ ভালপোৱাক কিনিবলৈ চেষ্টা কৰে আৰু আগ-পাছ নুগুণি বন্ধু যতীনৰ হতুৱাই অৰুণাৰ মাক-দেউতাকলৈ বিয়াৰ প্রস্তাৱ প্রেৰণ কৰে। এই ক্ষেত্রত অৰুণা প্রতিবন্ধক হৈ থিয় দিয়াত মহেশৰ সেই আশাত চেঁচাপানী পৰে।কিন্তু সুবিধাবাদী, অবিবেচকী মহেশে অৰুণাক লাভ কৰাৰ চেষ্টা অব্যাহত ৰাখে আৰু বিয়াৰ পাছতো সিহঁতৰ অসুখী সংসাৰৰ গইনা লৈ অৰুণাৰ ওচৰ চাপিবলৈ চেষ্টা কৰে। কিন্তু অৰুণাৰ নির্লিপ্ততা আৰু স্পষ্টতাই অৱশেষত মহেশৰ শেষ আশাও চূৰমাৰ কৰি দিয়ে।

  এইদৰে মহেশ চৰিত্রটো গল্পকাৰে এজন উচ্চাকাংক্ষী, স্বার্থপৰ, প্রতিশোধ-পৰায়ণ, অবিবেচক আৰু সুবিধাবাদী ব্যক্তি হিচাপে অঙ্কন কৰিছে। বাস্তৱ জীৱনত মহেশ বৰ বুধিয়ক। সেয়ে মহেশে বৰুৱাহঁতৰ ঘৰৰ মানুহৰ দুর্ব্যৱহাৰৰ কোনো প্রতিবাদ কৰা নাই। কাৰণ খং কৰি গুচি গ'লে কাৰ ক্ষতি হ'ব সেই কথা মহেশে ভালদৰে জানিছিল। পঢ়া-শুনা কৰি জীৱনত কিবা এটা ভাল কামৰ জৰিয়তে প্রতিষ্ঠা লাভ কৰাৰ বাসনা তেওঁৰ মনত অহৰহ ক্রিয়া কৰি আছিল। সেয়ে মহেশক ঈর্ষা কৰা গাঁৱৰ মানুহখিনি আৰু আনকি বৰুৱাহঁতকো উন্নতিৰ জখলাত বগাই দেখুৱাই

দিয়াৰ গুপুত বাসনা এটাই মহেশক জীৱনত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰিছিল। মানসিকভাৱে সবল হোৱা বাবেহে এটা সাধাৰণ ল'ৰা হৈও মহেশে এল-আই-চিৰ উচ্চ পদবীধাৰী হ'বলৈ সক্ষম হৈছিল। কিন্তু তথাপিও বিয়াৰ পিছত অৰুণাৰ প্ৰতি মহেশে দেখুওৱা আচৰণ মুঠেই শোভনীয় নহয় আৰু ইয়ে মহেশ চৰিত্ৰটোৰ দুৰ্বলতাকে সূচিত কৰে। এইদৰে গল্পকাৰে কম পৰিসৰতে মহেশ চৰিত্ৰৰ আটাইবোৰ দিশ গল্পটোত ফুটাই তুলিছে।

- **অৰুণা ঃ** সংগ্ৰাম গল্পটোৰ আন এটা অন্যতম চৰিত্ৰ হ'ল অৰুণা। অৰুণা মহিম বৰুৱাৰ ডাঙৰ ছোৱালী। অৰুণা চৰিত্ৰটোক গল্পকাৰে অলপ বেলেগ ধৰণে সজাইছে। নিজৰ স্থিতি সম্পৰ্কে সচেতন, স্বাভিমানী, স্পষ্টবাদীৰূপে গল্পকাৰে অৰুণা চৰিত্ৰটো গল্পটোত উপস্থাপন কৰিছে। আৰম্ভণিৰে পৰাই অৰুণাই সিহঁতৰ ঘৰত কাম-বন কৰি পঢ়িবলৈ অহা মহেশক চকু পাৰি দেখিব নোৱাৰে আৰু উঠোতে-বহোতে অনবৰত মহেশক ঠাট্টা-বিদ্ৰূপ কৰি থাকে। যিকোনো সৰুসুৰা কথাতে মহেশৰ প্ৰতি অৰুণাৰ তীব্ৰ বিতৃষ্ণা আৰু সেই বিতৃষ্ণাতে মহেশক ইতিকিং কৰি অৰুণাই কৈ উঠে— 'ছোটলোকক লাই দিলে মূৰত উঠিবই'।

  অৰুণা বৰ আত্মসচেতন আৰু আত্মসন্মানবোধ থকা ছোৱালী। মহেশে অৰুণাক বিয়াৰ প্ৰস্তাৱ দিয়া শুনি অৰুণা হাঁহিত ফাটি পৰিছে। মাক-দেউতাকৰ মহেশলৈ বিয়া দিবলৈ মন থকা সত্ত্বেও অৰুণাৰ স্পষ্টবাদীতাত সেই আশা তল পৰি গৈছে। স্পষ্টবাদী অৰুণাই মাক-দেউতাকক কৈছে— "তোমালোকে যিহকে ইচ্ছা তাকেই কৰিব পাৰা নেকি? কাইলৈ আমাৰ তিখৰু হালোৱাই লটাৰীৰ টিকট কিনি টকা পাই ডাঙৰ মানুহ হ'লে তাৰে লগতে মোৰ বিয়াখন পাতিবা নেকি?" অৰুণাৰ এই উক্তিত আত্মাভিমান প্ৰকাশ পাইছে। উচ্চ পদবীধাৰী হ'লেও সিহঁতৰ ঘৰত কাম-বন কৰি পঢ়া-শুনা কৰা মহেশৰ লগত বিয়াত বহিবলৈ অৰুণা অমান্তি হৈছে আৰু মাক-দেউতাকৰ সেই চিন্তাক সমালোচনা কৰিছে। আকৌ সুৰেন ডেকাৰ লগত বিয়াত বহিলেও অৰুণা সেই সংসাৰত সুখী নহয়। কিন্তু স্বাভিমানী অৰুণাই সেই কথা কাৰো আগত ব্যক্ত কৰা নাই। সিহঁতৰ অসুখী সংসাৰৰ খুঁত-খাত দুই-এটা কথা মহেশে অৰুণাৰ পৰা জানিব খুজিছে যদিও অৰুণাই ক'তো দুৰ্বলতা প্ৰকাশ কৰা নাই। যথাযথভাৱে উত্তৰ দি সেই কথা পাৰ্যমানে এৰাই চলিছে। স্পষ্টবাদী অৰুণাই পূৰ্বৰ ভালপোৱাৰ কথা গিৰিয়েকক স্পষ্টভাৱে জনাই দিছে। কিন্তু অৰুণাৰ প্ৰতি থকা দুৰ্বলতাৰ বাবে সিহঁতৰ অসুখী সংসাৰৰ সুযোগ লৈ মহেশে অৰুণাৰ ওচৰ চাপিবলৈ চেষ্টা কৰাত অৰুণা অধিক সচেতন হৈ উঠিছে আৰু মহেশৰ আশাত চেঁচাপানী ঢালি দি পূৰ্বৰ দৰে কৈ উঠিছে—'কুকুৰক লাই দিলে মূৰত উঠে'। এইদৰে গল্পকাৰে অৰুণা চৰিত্ৰটো নিৰ্ভীক, স্পষ্টবাদী, আত্মসচেতন, স্বাভিমানী চৰিত্ৰ হিচাপে গল্পটোক অঙ্কন কৰিছে।

- **মহিম বৰুৱা ঃ** সংগ্রাম গল্পটোৰ আন এটা চৰিত্র হ'ল মহিম বৰুৱা। পাঁচোটা ল'ৰা-ছোৱালীৰে, মাটি-বাৰী, সা-সম্পত্তিৰে মহিম বৰুৱা এজন অৱস্থাপন্ন ব্যক্তি। গল্পটোত মহিম বৰুৱাৰ ব্যক্তিত্ব বৰ সবলভাৱে ফুটি উঠা নাই। তেওঁৰ নিজস্ব মতামত বুলি একো নাই। সেইদৰে বৰুৱাৰ নিজস্ব বৃত্তি বা দায়িত্ব বুলিও একো নাই। যিয়ে যি কামতে তেওঁক বিচাৰে নির্বিবাদে তেওঁ সেই দায়িত্ব পালন কৰে। সেয়ে যিকোনো পৰিস্থিতিৰ সোঁত যিফালে যেনেকৈ বৈ যায় তেওঁ সেই পৰিস্থিতিৰ সোঁতত নিজকে একেবাৰে এৰি দিয়ে। কিন্তু তেওঁৰ নিজস্ব মত নাথাকিলেও বা সবল ব্যক্তিত্বৰ অধিকাৰী নহ'লেও মহিম বৰুৱা সেই অঞ্চলৰ এজন বিশেষ প্রভাৱশালী ব্যক্তি বুলি পৰিচিত।

  'সংগ্রাম' গল্পটোত গল্পকাৰে বৰুৱাক এজন সহজ-সবল ব্যক্তি ৰূপে চিত্রিত কৰিছে। মহেশৰ কথামতে যতীনে মহিম বৰুৱাক মহেশআৰু অৰুণাৰ বিয়াৰ প্রস্তাৱ দিওঁতে মহিম বৰুৱাই আগ-পাছ নুগুণি আনন্দত আত্মহাৰা হৈ পৰিছে আৰু পাকঘৰত কাম কৰি থকা পৰিবাৰক মাতি আনি ততাতৈয়াকৈ সুখবৰটো দিছে। কিন্তু অৰুণাই প্রতিবাদ কৰি বৰুৱাৰ চকু মোকলাই দিয়াত নিজৰ স্থিতি বা অৱস্থা সম্পর্কে সচেতন হৈ অৰুণাৰ সৈতে একে সুৰতে সুৰ মিলাইছে। তদুপৰি পুৰণি জীৱন ধাৰাক আঁকোৱালি লৈ আগবাঢ়ি যোৱা মহিম বৰুৱাই নতুন যুগৰ পৰিৱর্তনক সহজে গ্রহণ কৰিব নোৱাৰে। সেয়ে এসময়ত একো নোহোৱা জয়ন্ত আৰু মাধৱহঁতে ৰাস্তাৰে গাড়ীৰ ধূলি উৰুৱাই পাৰ হৈ গ'লে বৰুৱাই তধা লাগি চাই থাকে। কেনেদৰেনো পৃথিৱীখনৰ পৰিৱর্তন হ'ল সেই কথা বৰুৱাই বুজি নাপায়। সেইদৰে স্বজাতিৰ মহেশ কলিতাক নিজৰ ঘৰত ৰাখি পঢ়া-শুনাৰ সুবিধা দিয়া কার্যই বৰুৱাৰ আনৰ প্রতি থকা মৰম আৰু পৰোপকাৰ গুণৰ কথা সোঁৱৰাই দিছে। এইদৰে বৰুৱা চৰিত্রটো গল্পকাৰে এজন দয়ালু, পৰোপকাৰী, সহজ-সবল ব্যক্তিৰ চৰিত্র ৰূপে ৰূপায়ণ কৰিছে।

- **বৰুৱানী ঃ** মহিম বৰুৱাৰ পত্নী বৰুৱানীৰ চৰিত্রটো গল্পকাৰে বৰ সুন্দৰভাৱে অঙ্কন কৰিছে। বৰুৱানী এগৰাকী অতি মৰমিয়াল মমতাময়ী মাতৃ। তেওঁ নিজৰ ঘৰুৱা কাম-বনখিনি লৈয়েই ব্যস্ত থাকে। তেওঁক ঘৰুৱা কাম-বনত সহায় কৰি দিয়া ল'ৰা মহেশৰ প্রতিও বৰুৱানীৰ মৰম আছে। ঘৰুৱা কাম-বন কৰি স্কুললৈ যাওঁতে ভাত খাবলৈ লৰালৰি হোৱা মহেশক বৰুৱানীয়ে মৰম কৰি ভাতকেইটা খুৱাই পঠায়। অৱশ্যে বৰুৱাৰ সংসাৰত তেওঁৰ স্থান ক'ত সেই কথা তেওঁ নিজেও গম নাপায়। যিকোনো কথাতে শাহুৰেকৰ গালি-গালাজ, মন-মেজাজ বেয়া থাকিলে বৰুৱাৰ গালি-গালাজ হজম কৰি বৰুৱানী ঘৰুৱা কাম-কাজ লৈ ব্যস্ত হৈ থাকে।

  বৰুৱাৰ দৰে বৰুৱানীও এগৰাকী সহজ-সবল নাৰী। উচ্চ পদবীধাৰী মহেশে অৰুণালৈ বিয়াৰ প্রস্তাৱ দিয়া বুলি শুনি বৰুৱানীৰ চকু-মুখ আনন্দত উজ্জ্বল হৈ

উঠিছে আৰু মহেশৰ অতীত জীৱন পাহৰি গৈ জীয়েকে প্ৰত্যাখ্যান কৰাত তেওঁৰ খং উঠিছে। এইদৰে এগৰাকী সহজ-সৰল, মৰমিয়াল মাতৃৰূপে বৰুৱানী চৰিত্ৰটো গল্পটোত চিত্ৰিত হৈছে।

- **বুঢ়ী আইতা ঃ** বুঢ়ী আইতা চৰিত্ৰটো এটা সহজ-সৰল চৰিত্ৰ। বুঢ়ী আইতাই ঘৰখনৰ পূৰ্বৰ সুখ-সমৃদ্ধিৰ কথা মনত পেলাই বৰ্তমানৰ লগত তাক তুলনা কৰি নানা ধৰণৰ অশান্তিত ভোগে। তেওঁ বৰ্তমানৰ ঘৰুৱা অৱস্থা বেয়া হোৱা বাবে বোৱাৰীয়েককে জগৰীয়া কৰি অনবৰত সৰু-সুৰা কথাতে বোৱাৰীয়েকক গালি-গালাজ কৰি থাকে। কিন্তু মহেশক তেওঁ মৰম কৰে, কাৰণ মহেশ তেওঁৰ অন্যতম সঙ্গী। মহেশে বুঢ়ী আইতাৰ মূৰত গধূলি কবিৰাজী তেল মালিচ কৰি দিয়ে। তদুপৰি তেওঁ কোৱা কথাবোৰ নীৰৱে শুনি যোৱাৰ বাবেও মহেশক তেওঁ বৰ ভাল পায়।
- **যতীন ঃ** যতীন হ'ল মহেশৰ বন্ধু। মধুপুৰ স্কুলত মহেশে যতীনৰ লগত একেলগে পঢ়িছিল। যতীনৰ যোগেদিয়ে মহেশে এসময়ত যোগসূত্ৰ হেৰাই যোৱা মহিম বৰুৱাহঁতৰ খবৰ জানিবলৈ সক্ষম হয়। 'সংগ্ৰাম' গল্পটোত অকণমান সময়ৰ কাৰণে ভুমুকি মৰা যতীন চৰিত্ৰটো বুদ্ধিমান আৰু বিবেচক চৰিত্ৰ ৰূপে ফুটি উঠিছে। মহিম বৰুৱাহঁতৰ ঘৰৰ খবৰ জানিব পাৰি মহেশে যতীনৰ হতুৱাই অৰুণাৰ বিয়াৰ প্ৰস্তাৱ দিয়াত যতীন আচৰিত হৈছে আৰু বিবেচক যতীনে মহেশক বাধা দি অৰুণাক প্ৰস্তাৱ দিবলৈ মানা কৰিছে। এইদৰে বন্ধুৰ প্ৰতি সহানুভূতিশীল, বিবেচক চৰিত্ৰ ৰূপে যতীনে গল্পটোত ভুমুকি মাৰিছে।
- **সুৰেন ডেকা ঃ** সংগ্ৰাম গল্পটোৰ আন এটা চৰিত্ৰ হ'ল সুৰেন ডেকা। অৰুণাৰ গিৰিয়েক সুৰেন ডেকা হ'ল ডি.চি. অফিচৰ কেৰাণী। অলপ খেয়ালি মেজাজৰ সুৰেন ডেকাই অৰুণাক অনবৰতে ঠাট্টা-মস্কৰা কৰি থাকে। অৰুণাক লৈ তেওঁ সংসাৰত সুখী নহয়। সৰু-সুৰা কথাতে অৰুণাৰ লগত তেওঁৰ খুঁত-খাত কাজিয়া লাগে, সকলো সময়তে অৰুণাক খোঁচ মাৰি কথা কয়। আনকি ঘৰলৈ কোনোবা আহিলেও তেওঁ অলপ তাচ্ছিল্য কৰি কথা কয়। তেওঁলোকৰ ঘৰলৈ অহা মহেশকো তেওঁৰ আচল চিনাকি পাই ৰংমনেৰে বহিবলৈ দিয়ে যদিও পিচ মুহূৰ্ততে কামৰ অজুহাত দেখুৱাই ওলাই যায়। এইদৰে মহেশ অৰুণাহঁতৰ ঘৰলৈ যোৱা আটাইকেইদিন কিবা নহয় কিবা কামৰ অজুহাতত সুৰেন ডেকা বাহিৰলৈ ওলাই গৈছে আৰু মহেশকো বেঁকাকৈ দুই-এটা কথা কৈছে। এইদৰে 'সংগ্ৰাম' গল্পৰ এই চৰিত্ৰটোক এটা বদমেজাজী চৰিত্ৰ হিচাপে গল্পকাৰে দাঙি ধৰিছে।
- **হীৰেন শৰ্মা ঃ** হীৰেন শৰ্মা এল-আই-চিৰ এচিছটেণ্ট ব্ৰাঞ্চ মেনেজাৰ। তেওঁ মধুপুৰৰ লোক হোৱা বাবে মহেশৰ লগত এক ঘনিষ্ঠ সম্পৰ্ক আছে। হীৰেন শৰ্মাৰ পৰাই মহেশে মহিম বৰুৱাহঁতৰ পৰিয়ালৰ সকলো সদস্যৰ খবৰ বাতৰি পায়। আনকি সুৰেন ডেকাৰ লগত অৰুণাৰ বিয়া হোৱা, সুৰেন ডেকাই অৰুণাক কৰা ব্যৱহাৰৰ

কথা আৰু সিহঁতৰ অসুখী সংসাৰৰ সকলো কথা হীৰেন শর্মাই মহেশক জানিবলৈ দিয়ে।

এইদৰে 'সংগ্রাম' গল্পটোত শীলভদ্রই কেইবাটাও চৰিত্রৰ অৱতাৰণা কৰিছে আৰু কম পৰিসৰতে চৰিত্রকেইটা সুন্দৰভাৱে ফুটাই তুলিছে। কেতিয়াবা এটা বা দুটা বাক্যৰ জৰিয়তে শীলভদ্রই চৰিত্র একোটাৰ এটা বিশেষ দিশ উন্মোচিত কৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ শীলভদ্রৰ সংগ্রাম গল্পটোত মহেশ চৰিত্রটোৰ চাৰিত্রিক বৈশিষ্ট্য কেনেদৰে প্রকাশিত হৈছে চমুকৈ আলোচনা কৰক। [150 টা শব্দৰ ভিতৰত)

৪ নং প্রশ্ন ঃ 'সংগ্রাম' গল্পটোত চিত্রিত হোৱা অৰুণা চৰিত্রটোৰ মানসিক জগতখনৰ এক চমু বিৱৰণ দাঙি ধৰক। (150 টা শব্দৰ ভিতৰত)

১২.৪.৪ গল্পটোৰ বিশেষত্ব

শীলভদ্রৰ দ্বাৰা ৰচিত সংগ্রাম গল্পটোৰ প্রকাশভঙ্গী তথা উপস্থাপনশৈলী মন কৰিবলগীয়া। গল্পটোৰ প্রধান বিশেষত্ব হ'ল মানৱ জীৱনৰ লগত জড়িত বিভিন্ন অনুভূতিৰ সুন্দৰ প্রকাশ। বিভিন্ন অনুভূতিয়ে আমাৰ জীৱনত কেনেদৰে প্রভাৱ বিস্তাৰ কৰে সেই কথা গল্পকাৰে অতি কম পৰিসৰতে প্রকাশ কৰিবলৈ সক্ষম হৈছে। তদুপৰি বিভিন্ন ভাব-অনুভূতিসমূহে চৰিত্রৰ চাৰিত্রিক বৈশিষ্ট্য তুলি ধৰাত কেনেদৰে সহায় কৰে তাৰো চিত্র গল্পটোত ফুটি উঠিছে। সংগ্রাম গল্পটিত শীলভদ্রই অতি সচেতনভাৱে চৰিত্র আৰু বাস্তৱ পৰিস্থিতি নিৰীক্ষণ কৰিছে আৰু তাক গল্পটোত যত্নসহকাৰে দাঙি ধৰিছে।

'সংগ্রাম' গল্পটোৰ ভাষা অনাড়ম্বৰ আৰু পোনপটীয়া। ক'তো বাহুল্যৰ অৱকাশ নাই। তথাপিও কম পৰিসৰতে গল্পকাৰে চৰিত্রসমূহক পাঠকৰ সন্মুখত জীৱন্তভাৱে তুলি ধৰিবলৈ সক্ষম হৈছে। আকৌ প্রতিটো পৰিস্থিতি এনে ধৰণে দাঙি ধৰিছে যে সি চৰিত্রৰ লগত সুন্দৰভাৱে খাপ খাই পৰিছে। উচ্চাকাংক্ষাই মানৱ জীৱন কেনেদৰে প্রভাৱিত কৰে তাৰ চিত্র সংগ্রাম গল্পটোত প্রতিফলিত হৈছে। ধৈর্য, সাহস আৰু মনোবলে কেনেদৰে মানুহক লক্ষ্যত উপনীত হোৱাত সহায় কৰে বা জীৱনত প্রতিষ্ঠা লাভ কৰাত অৰিহণা যোগাব পাৰে তাৰ নিদর্শনো শীলভদ্রৰ সংগ্রাম গল্পটোৱে দাঙি ধৰে।

শীলভদ্রৰ এই গল্পটোত চৰিত্রৰ মনঃস্তাত্ত্বিক ক্রিয়া-প্রতিক্রিয়াৰ চিত্রও প্রতিভাত হৈছে। প্রতিটো চৰিত্রৰ মানসিক জগতৰ চিত্র গল্পটোত প্রকাশ পাইছে। উদাহৰণ স্বৰূপে, মহেশে মহিম বৰুৱাহঁতৰ ঘৰত সন্মুখীন হোৱা বিভিন্ন দুর্ব্যৱহাৰৰ পাছত মহেশৰ মনত তেওঁলোকৰ প্রতি কেনে আক্রোশ আৰু প্রতিহিংসাৰ মনোভাৱ গঢ়ি উঠিছে সেই কথা

গল্পকাৰে কম কথাতে দাঙি ধৰিছে।আকৌ মানুহৰপৰা বিভিন্ন সময়ত লাভ কৰা ঠাট্টা-ইতিকিঙে কেনে বিৰূপ মনোভাৱৰ জন্ম দিয়ে আৰু ভিতৰি ভিতৰি সেই ঠাট্টা-ইতিকিং জয় কৰাৰ জেদ এটা গঢ় লৈ উঠে ইত্যাদি বিভিন্ন মনঃস্তাত্ত্বিক দিশ সংগ্রাম গল্পটোত শীলভদ্রই প্রকাশ কৰিবলৈ যত্ন কৰিছে।

গতিকে 'সংগ্রাম' গল্পটোৰ প্রকাশভঙ্গী, উপস্থাপন, ভাষা, বিভিন্ন অনুভূতি তথা চৰিত্রৰ মনঃস্তাত্ত্বিক দিশৰ প্রতিফলনে গল্পটোক সুখপাঠ্য কৰি তুলিছে আৰু অসমীয়া গল্প-সাহিত্যত শীলভদ্রৰ এই গল্পটোৱে এক বিশেষ স্থান অধিকাৰ কৰি থাকিব বুলি ক'ব পাৰি।



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোৰ জৰিয়তে আমি উত্তৰ-ৰামধেনু যুগৰ এজন অন্যতম গল্পকাৰ শীলভদ্র ওৰফে ৰেৱতীমোহন দত্তচৌধুৰীৰ জীৱনৰ এক চমু পৰিচয় আৰু তেওঁৰ সাহিত্য কৃতি সম্পর্কে জানিব পাৰিলোঁ।
- আমাৰ এই অধ্যায়টোৱে শীলভদ্রৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যখিনিৰ বিষয়ে এক সম্যক ধাৰণা দাঙি ধৰিছে। তদুপৰি তেওঁৰ গল্পৰ ভাষা সম্পর্কেও এই অধ্যায়টোৱে আমাক জানিবলৈ দিয়ে।
- শীলভদ্রৰ দ্বাৰা ৰচিত সংগ্রাম নামৰ চুটিগল্পটিৰ বিষয়ে আমি এই অধ্যায়ত আলোচনা কৰিলোঁ। সংগ্রাম গল্পটোৰ বিষয়বস্তু, উপস্থাপন, ভাষা আৰু চৰিত্রসমূহৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰাত আমাক এই অধ্যায়টোৱে সহায় কৰিছে।
- অসমীয়া গল্প-সাহিত্যত শীলভদ্রৰ স্থান কি সেই কথা অনুধাৱন কৰাত এই অধ্যায়ৰ আলোচনাই আমাক যথেষ্ট সহায় কৰে।



১২.৬ অধিক জানিবলৈ

1] শীলভদ্র [2007] ঃ *শীলভদ্রৰ গল্প সমগ্র;* গুৱাহাটী ঃ বনলতা।

2] গগৈ, হৃদয়ানন্দ (সম্পা.) [1999] ঃ *উত্তৰ ৰামধেনু যুগৰ নির্বাচিত গল্প;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

3] গোস্বামী, ত্রৈলোক্যনাথ [2006] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

4] দাস, শোণিত বিজয় আৰু বায়ন, মুনীন (সম্পা.) [2006] ঃ *কথা বৰেণ্য 100;* গুৱাহাটী ঃ কথা পাব্লিকেশ্বন।

5] নেওগ, মহেশ্বৰ [2000] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

6] বৰগোহাঞি, হোমেন (সম্পা.) [2004] ঃ *অসমীয়া গল্প সঙ্কলন* (দ্বিতীয় খণ্ড); গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

7] বৰুৱা, প্ৰহ্লাদ কুমাৰ [1995] ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন; গুৱাহাটী ঃ বনলতা।

8] ভট্টাচাৰ্য্য, পৰাগ কুমাৰ [1993]ঃ *গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প সাহিত্য*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

9] ভট্টাচাৰ্য্য, বসন্ত কুমাৰ [2003] ঃ *অসমীয়া চুটিগল্পৰ সুবাস*; নলবাৰী ঃ জাৰ্ণেল এম্প'ৰিয়াম।

10] শৰ্মা, সত্যেন্দ্ৰনাথ [2015] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ শীলভদ্ৰৰ জন্ম... ...কৰ্ম জীৱন... ...সাহিত্য কৃতিসমূহৰ এক চমু আভাস।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শীলভদ্ৰৰ চমু পৰিচয়... ...তেওঁৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ যেনে— মধুপুৰৰ সমাজ জীৱন, মধুপুৰৰ সাংস্কৃতিক, অৰ্থনৈতিক জীৱন, মধুপুৰৰ বাস্তৱ চিত্ৰ ৰূপায়ণ.. ...গল্পৰ অপূৰ্ব প্ৰকাশভঙ্গী তথা উপস্থাপন শৈলী... ...সমাজৰ সকলো শ্ৰেণীৰ বাস্তৱ চৰিত্ৰৰ ৰূপায়ণ— অনাড়ম্বৰ ভাষা, মধুপুৰৰ স্থানীয় লোকভাষাৰ প্ৰয়োগ... ...চৰিত্ৰৰ মনঃস্তাত্ত্বিক বিচাৰ বিশ্লেষণ, বাস্তৱধৰ্মী চৰিত্ৰৰ মানৱীয় কাৰ্যকলাপৰ চিত্ৰণ-বৰ্ণনাৰ পৰিমিতিবোধ... ...গোৱালপাৰা অঞ্চলৰ বিশেষ ৰূপায়ণ... ...পৰিৱৰ্তিত পৰিৱেশত মিলিব নোৱাৰাৰ অন্তৰ্বেদনা... ...সাধাৰণ মানুহৰ বিভিন্ন অনুভূতিৰ প্ৰকাশ... ...সাম্প্ৰতিক সময়ৰ মানুহৰ বিবিধ সমস্যা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মহেশ চৰিত্ৰৰ এক সাধাৰণ পৰিচয়... ...মহেশ চৰিত্ৰৰ বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্য... ...উচ্চাকাংক্ষী মানসিকতা, নিজক প্ৰতিষ্ঠা কৰাৰ চেষ্টা, আক্ৰোশ আৰু প্ৰতিহিংসাৰ মনোভাৱ, মানসিক উত্তৰণৰ অভাৱ, সুবিধাবাদী, অবিবেচক আৰু স্বাৰ্থপৰ মনোবৃত্তি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অৰুণা চৰিত্ৰটোৰ চমু পৰিচয়... ...অৰুণাৰ মানসিক জগতৰ প্ৰকাশ... ...অৰুণা নিজৰ অৱস্থা বা স্থিতি সম্পৰ্কে অতি সচেতন.....ঘৰৰ কাম কৰা ল'ৰা মহেশৰ প্ৰতি এক ভিন্ন হেয়যুক্ত মনোভাৱ, আত্মসম্মানবোধ সম্পন্ন, স্বাভিমানী হোৱা বাবে কাম কৰা ল'ৰাৰ বিয়াৰ প্ৰস্তাৱত দুৰ্ঘোৰ আপত্তি... ...স্পষ্টবাদিতাৰ বাবে পূৰ্বৰ ভালপোৱাৰ কথা মুকলিকৈ প্ৰকাশ... ...নিজে আনৰ চকুত হেয় প্ৰতিপন্ন হোৱা সকলো কথা গুপুতে ৰখা মনোভাৱ।



১২.৮ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া গল্প-সাহিত্যত শীলভদ্ৰৰ স্থান বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ শীলভদ্ৰৰ জীৱন আৰু সাহিত্য কৃতিৰ এক চমু আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ শীলভদ্ৰৰ 'সংগ্ৰাম' গল্পটোৰ এক পৰ্যালোচনা দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ সংগ্ৰাম গল্পটোৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত শীলভদ্ৰই কেনে দক্ষতা প্ৰকাশ কৰিছে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ মহেশ চৰিত্ৰটোৰ মানসিক অৱস্থাৰ চিত্ৰ গল্পকাৰ শীলভদ্ৰই কেনেদৰে বৰ্ণনা কৰিছে চমুকৈ এটি আলোচনা যুগুত কৰক।

*** ***** ***